blogasom.blogspot.com

পৈশাচিক

খৰতকীয়া খোজেৰে তলৰ মহলাৰ পৰা চিৰি বগাই ওপৰ মহলালৈ উঠি আহিল মিছেছ কাকতি। চিৰিত ছেন্দেলৰ শব্দ শুনি ৰিডিং ৰুমৰ পৰা ভুমুকি মাৰি মিঃ কাকতিয়ে বাহিৰলৈ চালে। লগে লগে মিছেছ কাকতি ভিতৰলৈ সোমাই আহিল।

ঃ ঘৰখন কিবা মৰিশালি মৰিশালি যেন লাগিছে দেখোন। ৰামুহঁত কোনো নাই? মিছেছ কাকতিয়ে প্ৰশ্ন কৰিলে।

ঃ নাই। গৰুজনী পোৱাই নাই নহয়। তাইকে বিচাৰি গৈছে। কাজুহঁতো গৈছে। মই অকলে ঘৰখনত ভূত বহা দি বহি আছো। মিঃ কাকতিয়ে ক'লে।

ঃ গৰুজনীৰ পোৱালী দিয়াৰ সময়, ক'ৰবাত পোৱালী- চোৱালী দিছে যদি মষ্কিলেই হ'ব।

ঃ তোমাৰ মিটিঙৰ বৰ্ণনা কৰাচোন এতিয়া।

ঃ ৰবা, ৰবা। আগতে একাপ একাপ চাহ খাই লওঁ। বৰ পিয়াহ লাগিছে।

দুয়ো কোঠাৰ পৰা ওলাই শোৱনি কোঠালৈ গ'ল। শোৱনি কোঠাৰ ভিতৰত টেবুল এখনৰ খুটাত এল্‌চেচিয়ান কুকুৰটো বান্ধি থোৱা দেখি মিছেছ কাকতিয়ে প্ৰশ্ন কৰিলে,

ঃ ইয়াক এনেকৈ বান্ধি থৈছা কিয়?

ঃ এ, এইডালে মোক বৰ আমনি কৰি থাকে। বিজুক থবলৈ কওঁতে সি আনি ইয়াত বান্ধি থৈছেহি।

কুকুৰটোৱে মিছেছ কাকতিক দেখা পোৱাৰ লগে লগে আনন্দতে জপিয়াই উঠিল।

ঃ ৰাজা! মিছেছ কাকতি ওচৰ চাপি গৈ কুকুৰটোৰ মূৰটো পিহি মৰম কৰি দিলে।

এনেতে চিঞৰি বাখৰি হুলস্থুল কৰি কাকতিৰ বাৰ চৈধ্য বছৰীয়া কণিষ্ঠ পুত্ৰ বিজু সোমাই আহিল।

ঃ কি হ'ল বিজু? দেউতাকে সুধিলে।

ঃ গৰুজনী ৰামুহঁতে বিচাৰিয়ে পোৱা নাই দেউতা! এতিয়া আকৌ সিহঁতে বৰচাপৰি হাবিৰফালে বিচাৰি গৈছে। বিজুৱে ক'লে।

ঃ এইবাৰ গৰুজনী পালে বিক্ৰী কৰিহে দিব লাগিব। ঘৰলৈ আহিবলৈ ইচ্ছাই নকৰে। মাকে ক'লে।

ঃ ইঃ, বাৰু মই চাম নহয় কেনেকৈ বেচা! বিজুৱে চিঞৰি উঠিল।

ঃ বাৰু বাৰু, নেবেচো তোমাৰ গৰু। যোৱা, হাত মুখবোৰ ধুই আহা।

বিজু লৰি গৈ বাথৰুমত সোমাল। মাকে হাঁহিলে।

গৰুজনী কাকতি পৰিয়ালৰ আটাইতকৈ মৰমৰ। বিশেষকৈ বিজুৰ। দিনটো ঘৰত

থকা সময়ছোৱা বিজু অনবৰত গৰুজনীৰ লগতে লাগি থাকে। এটা মাখিও পৰিব নিদিয়ে। পুৱা হঠাৎ এৰাল দিয়া ঠাইৰ পৰা গৰুজনী নোহোৱা হ'ল। সচৰাচৰ গৰুজনী ঘৰ এৰি ক'লৈকো নাযায়। কিন্তু গাভিনী গৰু এজনী এনেদৰে হঠাৎ নোহোৱা হোৱাত হৃদয়ানন্দ কাকতি বিশেষ চিন্তিত হ'ল। হৃদয়ানন্দ কাকতি অৱসৰপ্ৰাপ্ত জজ্। পৰিয়াল বুলিবলৈ পত্নী অলকা আৰু তিনিটি পুত্ৰ। ডাঙৰ ল'ৰা কাজু কলেজত পঢ়ে। মাজু পুতেক দিজু হাইস্কুলৰ 'ক্লাছ নাইন'ৰ ছাত্ৰ আৰু বিজু হ'ল পেটমোছা।

বাহিৰৰ কলিং বেলটো সঘনে বাজিবলৈ ধৰিলে।

ঃ বিজু! কাকতিয়ে বিজুক মাতিলে বাহিৰত কোন আহিছে চাবলৈ।

বিজু একান্তমনে হাত-ভৰি ধোৱাত ব্যস্ত। টেপৰ পৰা ওলোৱা পানীৰ শব্দত দেউতাকৰ মাত বিজুৰ কাণত নপৰিল। অৱশেষত কিচ্ছেন ৰুমৰ পৰা মিছেছ কাকতি নিজে ওলাই গ'ল বাহিৰলৈ। সশব্দে সদৰ দুৱাৰখন খুলি দিলে। দুৱাৰৰ ফ্ৰেমত মূৰ্তিমান এক তৰুণ। মূৰৰ চুলিবোৰ অবিন্যস্ত। দুইগালত কেইবাদিনো নুখুৰোৱা দাড়ি। পিন্ধনত এটা তলফালে ফটা হাৱাইন ছাৰ্ট আৰু লেতেৰা পাইজামা। চকুৰ দৃষ্টি বন্য আৰু আৰক্ত। মুখৰ ভাৱ কঠিন আৰু কুটিল। মিছেছ কাকতিৰ ভাৱৰ ছন্দপতন ঘটিল। উন্মাদৰ দৰে আগন্তুকক দেখি মিছেছ কাকতি বিস্মিত হল আৰু মুখৰ সমস্ত তেজ গোট মাৰি গ'ল। ভয়ত দুখোজ পিছুৱাই আহি মিছেছ কাকতিয়ে প্ৰশ্ন কৰিলে,ঃ কাক লাগে?

যুৱকৰ মুখত হাঁহি বিৰিঙিল। আৰু লগে লগে দুখোজ ভিতৰলৈ সোমাই আহিল। মিছেছ কাকতিয়ে ভীষণ ভয় খালে। তেতিয়াহে যুৱকৰ হাতলৈ চকু গ'ল। দীঘল ডেগাৰৰ দৰে এপাত শানিত অস্ত্ৰ। আগন্তুক বিপদৰ গোন্ধ পাই মিছেছ কাকতিয়ে ভিতৰলৈ দৌৰিবলৈ চেষ্টা কৰিলে। কিন্তু তাৰ আগতেই যুৱকে উন্মাদৰ দৰে জপিয়াই পৰিল মিছেছ কাকতিৰ ওপৰত। প্ৰচণ্ড আঘাতত মিছেছ কাকতি ছিটিকি গৈ পৰিল এখন বেৰৰ ওচৰত। বেৰত ঠেকা খাই মূৰত দাৰুণ আঘাত পাই লাহে লাহে থিয় হ'ল। ভিতৰ ফালে চাই চিঞৰি দিব খুজিলে ; কিন্তু কিবা এটা শক্তিয়ে যেন বাকৰুদ্ধ কৰি দিলে। যন্ত্ৰনাবিকৃত মুখেৰে যুৱকৰ ফালে চাই মিছেছ কাকতিৰ সমস্ত তেজ পানী হৈ গ'ল। ভয়তপ্ৰাণ উৰি গ'ল। চকুৰে মুখে ফুটি উঠিল অবিমিশ্ৰ আতংক। যুৱকে ডেগাৰখন ওপৰলৈ উঠাই এক জিঘাংসাৰ হাঁহি মাৰিলে। ভীষণ জোৰেৰে মিছেছ কাকতিয়ে চিৎকাৰ কৰি উঠিল। চিৎকাৰত ৰেশ মিলাৰ আগেই যুৱকৰ শানিত অস্ত্ৰপাত তড়িৎ গতিৰে নামি আহি মিছেছ কাকতিৰ পেটৰ ঠিক মাজভাগত সোমাই দুফাল কৰি পেলালে। এক পলক অবিশ্বাসৰ দৃষ্টিৰে চালে যুৱকলৈ ; নিজৰ ক্ষতস্থললৈ। দুহাতেৰে ক্ষতস্থলত সজোৰে হেচি ধৰি ধীৰে ধীৰে আগুৱাই গ'ল ওপৰ মহলালৈ উঠা চিৰিৰ ফালে। কেইখোজমান আগবাঢ়িয়েই মিছেছ কাকতি মজিয়াৰ ওপৰত বাগৰি পৰিল। তেজবোৰ ক্ষতস্থানৰ পৰা কলকলকৈ ওলাবলৈ ধৰিলে।

বাথৰুমৰ পৰা ওলাই আহেঁতেই বিজুৰ কাণত পৰিছিল মাকৰ চিৎকাৰ। সি সদৰ দৰজাৰ ফালে লৰি আহি মাকৰ অৱস্থা দেখি চমকি উঠিল। চিঞৰিব খুজিও ৰৈ গ'ল। শিশু

হ'লেও মৃত্যুক সি চিনি পায়,জানে। কিন্তু অপমৃত্যু তাৰ ওচৰত পৰিচিত নহয় ; আৰু পৰিচিত নহয় কাৰণেই আৰু বেছি আতংকৰ। তাৰ মনটোৱে তাক সাৱধান কৰি দিলে, সৰ্বনাশৰ এয়া আৰম্ভনিহে। ইয়াতকৈও গুৰুতৰ সৰ্বনাশ অপেক্ষা কৰিছে সকলোৰে বাবে। সি দৌৰি গৈছিল ভিতৰৰ ফালে আৰু ৰিডিং ৰুমৰ ভিতৰ সোমাই এটা আলমাৰিৰ পিছফালে লুকাই পৰিল প্ৰাণৰ ভয়ত। ইচ্ছা হৈছিল দেউতাকৰ ওচৰলৈ যাবলৈ ; কিন্তু আদবাটতে যে সি ধৰা পৰি যাব।

যুৱক বৰ দ্ৰুত গতিৰে অগ্ৰসৰ হ'ল ওপৰমহলালৈ। প্ৰতি কোঠাতে ভুমুকি মাৰি কাকো নেদেখি যুৱক গৈ শোৱনি কোঠাৰ ভিতৰ সোমাল। লগে লগে ৰাজাই আগন্তুকক দেখি ভুকিবলৈ ধৰিলে ভীষণ জোৰেৰে। মিঃ কাকতিয়ে দুৱাৰৰ ফালে চালে। হাতত ৰক্তাক্ত ডেগাৰেৰে থিয় হৈ থকা অচিনাকি যুৱকক দেখি মিঃ কাকতি চমকি উঠিল।

ঃ কোন? মিঃ কাকতি ঘপকৈ উঠি বিচনাখনতে বহিল।

ঃ চিনি ক'ত পাবি কুকুৰ? মনত আছে? আজিৰ পৰা বাৰ বছৰৰ আগতে হত্যাৰ অভিযোগত তই মোক জেললৈ পঠিয়াইছিলি। মই কিন্তু নিৰ্দোষী আছিলো। মোৰ এখ ন সোনৰ সংসাৰ ধবংস হৈ গ'ল। সেয়ে আজি বাৰ বছৰৰ সাঁচি ৰখা মোৰ প্ৰতিহিংসা আজি মই চৰিতাৰ্থ কৰিম। তোৰো সোণৰ সংসাৰ ধবংস হৈ যাওক। যুৱক আগুৱাই গ'ল।

কুকুৰটোৱে যুৱকক আক্ৰমন কৰিবলৈ প্ৰচণ্ড শক্তিৰে শিকলিডালৰ পৰা এৰাই যাবলৈ ব্যৰ্থ চেষ্টা কৰিলে। আগন্তুকৰ সেইবোৰৰ প্ৰতি ভ্ৰক্ষেপ নাই। মিঃ কাকতি শিলৰ মূৰ্তিৰ দৰে অলৰ অচল। ভয়তে যেন কাঠ হৈ গৈছে। বিমূঢ় বিহ্বল অৱস্থাৰ পৰা কোনোমতে নিজক সবল কৰি মিঃ কাকতি বিচনাৰ পৰা উঠিবলৈ চেষ্টা কৰিলে। লগে লগে যুৱকৰ ডেগাৰখনে মিঃ কাকতিৰ ডিঙিত আঘাত কৰিলে। মূৰটো ছিটিকি মজিয়াৰ ওপৰত পৰিল। দেহাটো বিছনাৰ ওপৰতে বাগৰি পৰি ছট্‌ফট্‌ ধৰফৰ কৰিবলৈ ধৰিলে। বীভৎস উল্লাসত আৰু বিকৃত গৌৰৱত গৌৰৱান্বিত হৈ নিজৰ সুমহান কীৰ্তিৰ ফালে কিছুপৰ চাই থাকি যুৱকে ভুকি থকা কুকুৰটোৰ ফালে পুতৌৰ দৃষ্টিৰে চালে। তাৰপিছত ডেগাৰখন মিঃ কাকতিৰ বিচনাখনৰ গাৰুটোত ঘঁহি কঁকালত গুজি লাহে লাহে ওলাই গ'ল।

মিঃ কাকতিৰ মাজু পুতেক দিজু কৰবাৰ পৰা আহি সদৰ দুৱাৰেৰে ভিতৰ সোমাই কেইখোজমান আগুৱাই গৈয়েই হঠাৎ থমকি ৰ'ল। সদৰ দুৱাৰৰ পৰা অলপ আতঁৰতে ৰক্তাক্ত দেহাৰে পৰি আছিল মিছেছ কাকতি। দিজুৱে দেখাৰ লগে লগে প্ৰায় লৰি যোৱাৰ দৰে গৈ মাকৰ ৰক্তাক্ত দেহাটোৰ ওচৰত গৈ আঠুকাঢ়ি বহিল। নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান পালে। অদম্য কান্দোনত তাৰ বুকু ফাটি যাব খুজিলে।

'মা' এক অস্ফুট শব্দ দিজুৰ মুখৰ পৰা বাহিৰ ওলাল।

সমুখত কাৰোবাৰ পদধবনি শুনি দিজুৱে মূৰ তুলি চালে। উন্মাদৰ দৰে এজন তৰুণ ধীৰ পদক্ষেপেৰে তাৰ ফালেই আগুৱাই অহিছে। ইন্দ্ৰিয়গাহ্য সুক্ষ্ম এক বোধশক্তিৰ সহায়ত দিজুৱে তৎক্ষণাৎ বুজি ল'লে যে তাৰো বিপদ সমাগত! আতংক আৰু উত্তেজনাত

সি ঘামি উঠিল। থৰথৰকৈ কঁপিবলৈ ধৰিলে। মুখৰ বৰণ সলনি হৈ বগা ছাঁইৰ দৰে হ'ল। হঠাৎ সি কান্দি উঠিল ; তাৰ চকুৰে মুখে বিভীষিকাৰ ছাঁ। যুৱক ওচৰ চাপি আহি কঁকালৰ পৰা পুনৰ ডেগাৰখন উলিয়াই ল'লে। ভীত বিস্ফাৰিত নেত্ৰেৰে তাৰ ফালে চাই ৰ'ল দিজুৱে। পলাব যে লাগে তাকো সি পাহৰি গ'ল। তাৰপিছত সি হঠাৎ চিৎকাৰ কৰি উঠিল। হিংস্ৰ এক বাঘৰ দৰেই যুৱক তাৰ ওচৰ চাপি গ'ল। দুচকুত তাৰ তেতিয়া ফুটি উঠিছে তীব্ৰ জিঘাংসা আৰু নাৰকীয় এক ক্ষিপ্ৰতা। দিজুৰ কান্দোনৰ বেগ আৰু বাঢ়ি গ'ল। তাৰ অবচেতন মনটোৱে বাৰে বাৰে মাথোন কবলৈ ধৰিলে পলা,নহ'লে ৰক্ষা নাই। লগে লগে সি লৰি গ'ল দুৱাৰৰ ফালে। কিন্তু হঠাৎ সি অনুভৱ কৰিলে সেই যুৱকৰ এখন বলিষ্ঠ হাতে তাৰ ডিঙিত চেপি ধৰিছে। তাৰপিছত তাক টানি আনি পেলাই দিলে এখন ছোফাৰ ওপৰত! মা-আ----------। দিজুৱে চিঞৰি উঠিল। লগে লগে যুৱকে ডেগাৰখনেৰে দিজুৰ সুকোমল শৰীৰটোত উপৰ্য্যুপৰি আঘাত হানিবলৈ ধৰিলে। চিৎকাৰৰ ক্ষমতাকনো দিজুৰ শেষ হৈ গ'ল। মাত্ৰ দেহাটো কেইবাৰমান থৰথৰকৈ কঁপি উঠিল, তাৰ পিছতেই চিৰকলৰ বাবে স্থিৰ হৈ গ'ল। ক্ষতস্থানৰ পৰা তেজৰ ধাৰা উৎসাৰিত হৈ গোটোই ছোফা লুতুৰি-পুতুৰি হ'ল। দিজুৰ শৰীৰ স্থিৰ হৈ যোৱাৰ পিচতো যুৱকে শৰীৰটো পিন্‌-কুচনৰ দৰেই ডেগাৰেৰে অনেক সময় খুচি থাকিল।

এইবাৰ যুৱকৰ মনলৈ আহিল পলোৱাৰ কথা। তিনিটাকৈ নৰহত্যা কৰি যুৱকে নিজকে খুব ক্লান্ত অনুভৱ কৰিলে। সবেগে ধাবিত হ'ল সমুখৰ দুৱাৰখনৰ ফালে। দুৱাৰ অতিক্ৰম কৰি এবাৰ পিচলৈ ঘূৰি চাই যুৱক পশ্চিম ফালে অগ্ৰসৰ হ'ল।

ঢং ঢং-------। দূৰৰ ডায়েৰী ফাৰ্মখনত বজোৱা সন্ধ্যা ছয় বজাৰ সময় সংকেতৰ প্ৰতিটো শব্দতে ৰিডিং ৰুমৰ আলমাৰীৰ পিছফালে লুকাই থকা বিজু চমকি উঠিল। অদৃশ্য বেদনাত বুকু ফাটি যাব খুজিছে, কিন্তু দুৰ্ধৰ্ষ নৰপশুটোৰ ভয়ত সি কান্দিবও পৰা নাই। দুই হাতেৰে প্ৰাণপনে মুখ টিপি বহি আছে আলমাৰীৰ পিছফালে। কেনেবাকৈ লৰচৰ কৰিলে শব্দ হয় বুলি নীৰৱ নিশ্চল হৈ বহি আছে। কোনে জানে হয়তো সেই ৰক্তপিপাষু যুৱকটো ওচৰতে ক'ৰবাত থিয় হৈ আছে! বিজুৱে মনে মনে আশংকা কৰিছিল এতিয়াই হয়তো সেই পাগলটোৱে একেটানে তাক আলমাৰীৰ পিছফালৰ পৰা বাহিৰলৈ টানি উলিয়াব। তাৰ নিৰ্ণীত পৰমায়ুৰ প্ৰতিটো পল যেন দ্ৰুত গতিত ক্ষয় হৈ আহিছে। বচাৰ উপায় নাই।

বহুসময় তেনেদৰেই পাৰ হ'ল। কোনো সাৰি শব্দ নোপোৱাত মনত অলপ সাহস গোটাই আলমাৰীৰ পিছৰ পৰা শৰীৰৰ একাংশ বাহিৰলৈ উলিয়াই কোঠাটো চালে। কোনো নাই কোঠাত। ভয়ে ভয়ে অতি সন্তৰ্পনে সি তাৰ পৰা ওলাল। আলমাৰীৰ কাষতে থকা সৰু টেবুলখনৰ ওপৰত ফুলদানীটো বিজুৰ হাত লাগি সশব্দে বাগৰি পৰিল। সেই শব্দ বিজুৰ কাণত শত সহস্ৰ ঘন্টাৰ ধ্বনিৰ দৰেই গম্ভীৰ হৈ বাজি উঠিল। হৃৎপিণ্ড বন্ধ হোৱাৰ উপক্ৰম হ'ল। আৰু ৰক্ষা নাই। এতিয়াই সেই ৰাক্ষসটো সোমাই আহিব।

কিন্তু কোনো নাহিল। হয়তো যুৱকে ইতিমধ্যে সকলোকে শেষ কৰি সেই মৃত্যুপুৰীৰ

দৰ্শক হিচাপে তাকে মাথোন ৰাখি গৈছে। অলপ আগলৈকে কুকুৰটোৱে ভুকি আছিল, এতিয়া সিও নিস্তব্ধ।

এখোজ দুখোজকৈ বিজু কোঠাৰ বাহিৰ হ'ল আৰু শোৱনী কোঠাৰ ফালে অগ্ৰসৰ হ'ল। তাত যি দৃশ্য তাৰ চকুত পৰিল, মনে মনে এটা কল্পচিত্ৰ কল্পনা কৰি নিলেও ৰূঢ় বাস্তৱ ৰূপৰ বাবে বিজু মুঠেই সাজু নাছিল। ফলত অৱৰুদ্ধ ক্ৰন্দন আৰু ভয়ৰ যি আবেগ ইমান সময় ধৰি অন্তৰত খোছাবিন্ধা কৰি আছিল, এইবাৰ সেইবোৰ একেলগে পথ পাই ওলাই আহিল। ভীষণ জোৰেৰে আৰ্তনাদ কৰি উঠিল বিজুৱে। তাৰ লগে লগে কুকুৰটোৱেও চিঞৰিবলৈ ধৰিলে। সিও যেন গভীৰ দুখত ভাগি পৰিছে। কিছু সময়ৰ পিছতে বিজুৱে জ্ঞান হেৰুৱালে।

কিমান সময় সি অজ্ঞান হৈ পৰি আছিল তাৰ মনত নাই। জ্ঞান পায়েই সি বলিয়াৰ দৰে তলৰ মহলাৰ ফালে দৌৰ মাৰিলে। তলৰ মহলাৰ কোঠাত মাক আৰু ককায়েক দিজুৰ মৃতদেহৰ ওচৰত ডাঙৰ ককায়েক কাজুক নীৰৱ নিশ্চল পাথৰৰ মূৰ্তিৰ দৰে থিয় হৈ থকা দেখি বিজুৱে কাতৰ কণ্ঠেৰে চিঞৰি উঠিল, 'কাজুদা'!

কাজুৰ তেতিয়াহে সন্বিৎ ফিৰি আহিল। লৰি গৈ বিজুক সাৱটি ধৰি কাজুৱে সৰু ল'ৰাৰ দৰে কান্দি কান্দি ক'লে,ঃ এয়া কি হ'ল বিজু?

কাজুৰ কান্দোন দেখি বিজুৱেও দুগুণ জোৰেৰে কান্দি উঠিল।

ঃ ক' বিজু এয়া কেনেকৈ হ'ল? কোনোমতে ওলাই অহা কান্দোনখিনি দমন কৰি কাজুৱে দ্বিতীয়বাৰ প্ৰশ্ন কৰিলে,

ঃ দেউতাকে মাৰিলে কাজুদা! এটা মানুহ আহিছিল। কান্দি কান্দি বিজুৰ জ্ঞান হেৰুৱাৰ উপক্ৰম হ'ল।

কাজুৱে বিজুক কান্ধত উঠাই লৈ ওপৰলৈ লৰি গ'ল। শোৱনি কোঠাত দেউতাকৰ মুণ্ডহীন দেহটো দেখি কাজুৱে এক ভাষাহীন জান্তৱ আৰ্তনাদ কৰি উঠিল। কুকুৰটোৱে কাজুক দেখি পুনৰ চিঞৰিবলৈ ধৰিলে আৰু মুক্ত হ'বলৈ চেষ্টা কৰিলে। কিছুপৰ মৌন হৈ থাকি কাজুৱে কোঠাৰ এচুকত থকা ফোনটো উঠাই পুলিচলৈ ফোন কৰিলে। তাৰ পিছত কোঠাৰ ভিতৰৰ আলমাৰীটো খুলি বন্ধুকটো উলিয়াই ল'লে। কাজুৱে পগলাৰ দৰে চটফটাবলৈ ধৰিলে আৰু এবাৰ বিজুৰ ফালে চাই ক'লে,ঃ বিজু, তই অকলে থাকিব পাৰিবি? পুলিচ আহিব এতিয়া, মই ৰাজক লৈ খুনীটোক বিচাৰি যাওঁ। মই তাক নিজে শেষ কৰিম।

বিজুৱে মূৰ জোকাৰি কান্দি কান্দি ক'লে,ঃ ময়ো যাম কাজুদা, ময়ো যাম। মই ইয়াত অকলে থাকিব নোৱাৰিম।

কাজুৱে কু কুৰটো বান্ধৰ পৰা খুলি দিলে। কুকুৰটোৱে মৃতদেহটো শুঙি একেথৰে মুণ্ডহীন দেহটোলৈ চাই ৰ'ল। তাৰো চকুত পানী কাজুৱে দেখা পালে। কুকুৰটোৰ শিকলিডালত ধৰি কাজু কোঠাৰ বাহিৰ ওলাই আহিল। পিছে পিছে বিজু।

কিমান দূৰ গৈছে কাজুৱে ক'ব নোৱাৰে, মাথো কুকুৰটোক অনুসৰণ কৰি গৈয়েই

আছে। এডোখৰ গহীন অৰণ্যৰ মাজত কুকুৰটোকলৈ কাজু আৰু বিজু সোমাল। সন্ধ্যাৰ গাঢ় ছাঁয়াৰে অৰণ্য আন্ধাৰ। মেঘ ভৰা আকাশ।

অনেক সময় পাৰ হ'ল। টুকুৰা-টুকুৰ মেঘৰ ফাঁকৰ মাজেৰে এটা সময়ত জোনটো দেখা গ'ল। অস্পষ্ট কুহেলী-আচ্ছন্ন জ্যোস্নাৰ পোহৰ অ'ত ত'ত সিচৰিত হৈ পৰিল। সেই জ্যোৎস্নাৰ বিবৰ্ণ পোহৰত অৰণ্যৰ মাজত থকা পৰিত্যক্ত মন্দিৰটো কাজু আৰু বিজুৰ দৃষ্টিগোচৰ হ'ল। কুকুৰটোৱে কাজুক সেইফাললৈকে টানিবলৈ ধৰিলে। ওখ ওখ গছবিলাকৰ মাটিৰ বুকু ঘঁহি নামি অহা ডালৰ আঁৰত কাজু বিজু স্তব্ধ হৈ থিয় হৈ ৰ'ল। কুকুৰটোৱে মন্দিৰটোৰ ফালে চাই অনৰ্গল ভুকিবলৈ ধৰিলে। এক অসতৰ্ক মুহূৰ্তত কাজুৰ হাতৰ পৰা কুকুৰটো এৰাই গ'ল আৰু ভুকি ভুকি মন্দিৰটোৰ ফালে দৌৰি গ'ল। কাজু আৰু বিজুও দৌৰি গ'ল কুকুৰটোৰ পিছে পিছে। কিন্তু সিহঁত কুকুৰটোতকৈ অনেক পিছ পৰিল। হঠাৎ কুকুৰটোৰ চিঞৰ স্তব্ধ হৈ গ'ল। শেষবাৰৰ কাৰণে তাৰ মাত্ৰ কেইটামান মৃত্যুকাতৰ চিঞৰ শুনা গ'ল। দুয়ো থমকি ৰ'ল। চাৰিওফালে যেন এক ভয়াবহ নিস্তব্ধতা। অস্বাভাৱিক এক নীৰৱতাই চাৰিওদিশ যেন ঘেৰি আছে। আতংক আৰু বিমিশ্ৰত আশংকাত দুয়ো অলৰ হৈ ৰ'ল কেইমূহূৰ্তমানৰ বাবে। তাৰপিছত সাৱধানে ধীৰে ধীৰে আগুৱাই গ'ল মন্দিৰটোৰ ফালে। মন্দিৰৰ প্ৰাংগণত এটা সৰু ভগা ঘৰ। ঘৰটোৰ মাজত এজনী গাইগৰু দুয়ো দেখা পালে। গাইজনীয়ে ইফালৰ পৰা সিফালেলৈ চটফট কৰি ঘূৰিব লাগিছে। মাজে মাজে শোৱে, পুনৰ উঠে। কাজুৱে বুজিলে গাইজনীয়ে প্ৰসৱ বেদনাত তেনেদৰে ছাটিফুটি কৰিব লাগিছে। কাজু আৰু বিজু গৰুজনীৰ ওচৰ চাপি গ'ল।

ঃ বিজু, এইজনী আমাৰ কাজলী। কাজুৱে লাহেকৈ ক'লে।

গৰুজনীয়ে দুয়োকে শুঙি চালে আৰু তাৰপিছত কেইমুৰ্হূতৰ বাবে শুই অসুস্থ ভাৱে কিছুমান শব্দ কৰিবলৈ ধৰিলে।

কাজুৱে মন্দিৰৰ ফালে চালে। বিজুক গৰুজনীৰ ওচৰতে ৰবলৈ কৈ কাজু এখোজ দুখোজকৈ মন্দিৰৰ দুৱাৰৰ ফালে আগুৱাই গ'ল। বিজুৱে ভয়তে গৰুজনীৰ গাতে ধৰি থাকিল। মন্দিৰৰ দুৱাৰ মুখৰ ওচৰত থিয় হৈ বন্দুকটো সাৱধানে হাতত লৈ কাজুৱে ভিতৰলৈ জুমি চালে। ভীষণ অন্ধকাৰ। পৃথিৱীৰ সমস্ত অন্ধকাৰ যেন মন্দিৰটোৰ ভিতৰতে থুপখাই আছে। হঠাৎ ভৰিৰ তললৈ চকু যোৱাত কুকুৰটো লাং খাই পৰি থকা দেখি কাজু চমকি উঠিল। এক গাঢ়তৰ ভীতিৰ ভাৱে কাজুক মুহূৰ্ততে আগুৰি ধৰিলে। কিবা এটা শক্তিয়ে যেন কাজুকপংগু আৰু শক্তিহীন কৰি পেলালে। হঠাৎ পিছফালে হোৱা এক শব্দত কাজু চমকি উঠি পিছলৈ ঘূৰি চালে। অসহ্য বেদনাত গৰুজনীয়ে ঠেং আচাৰিব লাগিছে। ঠিক সেই মুহূৰ্ততে কোনোৱাই কাজুৰ হাতৰ বন্দুকটোত খামুচি আজুৰি লৈ মন্দিৰৰ ভিতৰৰ অন্ধকাৰৰ মাজলৈ দলিয়াই দিলে। কাজুৱে ঘূৰি চাই দেখে মন্দিৰৰ ভিতৰৰ পৰা ওলাই অহা এক ছায়ামূৰ্তিয়ে হাতত এক শানিত অস্ত্ৰ লৈ ৰৈ আছে। কাজুৱে লগে লগে ছায়ামূৰ্তিৰ অস্ত্ৰ থকা হাতখন ধৰি মুচৰি দিলে। কাজুৰ বুজিবলৈ বাকী নাথাকিল যে এইটোৱেই মাক-দেউতাক,

ভায়েকৰ নৃশংস হত্যাকাৰী। উন্মাদ যুৱকজনৰ হাতৰ পৰা ডেগাৰখন পৰি গ'ল। কিন্তু পিছমুহূৰ্ততে উন্মাদ যুৱকজন কাজুৰ দুইভৰিৰ মাজত নিজৰ সোঁভৰিখন সুমুৱাই কাজুক পেলাবলৈ চেষ্টা কৰিলে। শক্তিশালী যুৱকজনৰ ওচৰত কাজু সহজেই পৰাজিত হ'ল। কাজু পৰি যোৱাৰ লগে লগে যুৱকে কাজুৰ ডিঙিত দুই হাতেৰে সজোৰে চেপি ধৰিলে।

ঃ বি-জু! কাজুৱে কোনোমতে মাথো উচ্চাৰণ কৰিলে।

বিজু ভয়ত কাঠ হৈ পৰিল আৰু মুহূৰ্ততে চেতনা হেৰুৱাই গৰুজনীৰ ওপৰতে বাগৰি পৰিল। গৰুজনীৰো প্ৰসৱবেদনা ইতিমধ্যে ক্ৰমে বাঢ়িব লাগিছে। যুৱকৰ সবল হাতৰ চেপাত কাজুৱে গৰুজনীৰ ফালে চাই এটা হাঁহি মাৰিলে। এফালে জন্মৰ বেদনা আনফালে মৃত্যুৰ। দুয়োটাই অসহ্য। কিন্তু এটা মধুৰ আৰু আনটো ভয়াবহ, বীভৎস।

কাজুৱে পাৰ্যমানে চেষ্টা কৰিলে সেই সবল হাতৰ পৰা নিজকে মুক্ত কৰিবলৈ। কিন্তু যুৱকৰ হাতৰ বান্ধ ক্ৰমে দৃঢ়ৰ পৰা দৃঢ়তৰ হৈ আহিল। মৃত্যুৰ যন্ত্ৰনাত কাজুৱে হাত ভৰি আচাৰিবলৈ ধৰিলে।শ্বাস-প্ৰশ্বাস লোৱাৰ ক্ষমতাকনো অৱশেষত লোপ পালে। হাত ভৰি বোৰ ক্ৰমে শিথিল হৈ আহিল। অৱশেষত থৰথৰকৈ কেইবাৰমান কঁপি কাজু চিৰ দিনৰ বাবেই স্থিৰ হৈ গ'ল। এইবাৰ যুৱকে কাজুৰ বুকুত বহি থকাৰ পৰাই গৰুজনীলৈ চালে। গৰুজনীৰ এটা পোৱালী ইতিমধ্যে জন্ম হৈছে। পোৱালীটোৰ কাষতে অচেতন হৈ পৰি থকা বিজুক দেখি এক পৈশাচিক হাঁহি মাৰি যুৱক আগুৱাই গ'ল বিজুৰ ফালে। চেলেকি চেলেকি নিজৰ পোৱালীটো টনকিয়াল কৰিব খোজা গৰুজনীয়ে সন্দেহৰ দৃষ্টিৰে যুৱকলৈ চালে আৰু নাকেৰে ফোঁচ-ফোঁচ শব্দ কৰিবলৈ ধৰিলে। যুৱকৰ সেইবোৰৰ প্ৰতি ভ্ৰূক্ষেপ নাই; লক্ষ্য তাৰ বিজুৰ ওপৰত। যুৱক আহি বিজুৰ ওচৰত থিয় হোৱাৰ লগে লগে গৰুজনীয়ে নিজৰ সন্তানৰ অমংগলৰ কথা চিন্তা কৰিয়ে হওক বা আন কিবা কাৰনতে হওক অতৰ্কিতে প্ৰচন্ড শক্তিৰে যুৱকক খুন্দা মাৰি পেলাই দিলে আৰু তাইৰ দীঘল দীঘল জোঙা শিং দুটাৰে পেটত হেঁচি ধৰিলে। মুহূৰ্ততে যুৱকৰ পেট ফাটি নাড়ী ভুৰুবোৰ বাহিৰলৈ ওলাই আহিল।যুৱকে চিঞৰাৰ সময়কনো নাপালে। গৰুজনী পুনৰ পোৱালীটোৰ ওচৰলৈ উভতি গ'ল আৰু পোৱালীটোৰ লগতে বিজুকো চেলেকিবলৈ ধৰিলে।

বিজুৰ জ্ঞান উভতি আহিল। চকুমেলি চাই দেখে যে গৰুজনীৰ চাৰি ঠেঙৰ মাজত সি শুই আছে। লাহেকৈ পৰাৰ পৰা উঠি সি চাৰিওফালে এবাৰ চকু ফুৰাই চালে দূৰত পৰি আছে কাজুৰ নীৰৱ নিশ্চল দেহাটো। অলপ আঁতৰত পৰি আছে সেই ভয়াবহ যুৱকজন। বিজুৰ কান্দিবৰ মন গ'ল খুব জোৰেৰে। কিন্তু নাকান্দিলে। নতুনকৈ জন্ম হোৱা গৰু পোৱালীটোৱে থৰক বৰক খোজৰে তাৰ ওচৰচাপি তাৰ গাটো শুঙি চালে। সন্মুখত কাৰোবাৰ পদধবনি শুনি সি মূৰ তুলি চালে। কিছুমান মানুহ হাতত টৰ্চ লৈ সেইফালেই আহি আছে। হয়তো পুলিচ। বিজু পুনৰ বহি পৰিল আৰু ফোঁপাই - জোঁপাই কান্দিবলৈ ধৰিলে।

created by NIBIR BORPUZARI for
BLOGASOM.BLOGSPOT.COM